# বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ উগাণ্ডা গণৰাজ্য আৰু মোজাম্বিক গণৰাজ্য ভ্ৰমণ (এপ্ৰিল 10-15, 2023)

এপ্ৰিল 09, 2023

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী, ড° এছ. জয়শংকৰে (ইএএম) 10-15 এপ্ৰিল 2023 তাৰিখে উগাণ্ডা গণৰাজ্য আৰু মোজাম্বিক গণৰাজ্যত চৰকাৰী ভ্ৰমণ কাৰ্যসূচী পালন কৰে।

2. ইএএমে 10-12 এপ্ৰিল 2023 তাৰিখে উগাণ্ডা ভ্ৰমণত ব্ৰতী হ'ব। ভ্ৰমণ কালচোৱাত, তেওঁ তেওঁৰ সমপৰ্যায়ৰ উগাণ্ডাৰ বৈদেশিক মন্ত্ৰী জেনেৰেল জেজে অ'ডংগোৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত অংশ লোৱাৰ, দেশখনৰ নেতৃত্বক সাক্ষাৎ কৰাৰ আৰু আন মন্ত্ৰীসকলক সাক্ষাৎ কৰিব বুলি আশা কৰা হৈছে। ইএএমে জিঞ্জাত নেচনেল ফৰেনচিক চায়েঞ্চ ইউনিভাৰ্চিটিৰ (এনএফএছইউ) পৰিবহণ চৌহদো উদ্বোধন কৰিব। ভাৰত চৰকাৰ আৰু উগাণ্ডা চৰকাৰৰ মাজত, ভাৰতৰ বাহিৰত পোন প্ৰথমবাৰৰ বাবে এনএফএছইউ চৌহদ স্থাপন কৰাৰ ওপৰত এখন দ্বিপাক্ষিক মৌ এই ভ্ৰমণ কালচোৱাতে স্বাক্ষৰিত হোৱাৰো সম্ভাৱনা আছে। ইএএমে উগাণ্ডাত এখন সৌৰ শক্তি চালিত পানী যোগান প্ৰকল্পৰ সূচনাকাৰী অনুষ্টানত অংশগ্ৰহণ কৰিব। তেওঁ উগাণ্ডাৰ বানিজ্য আৰু ব্যৱসায়িক শ্ৰেণীকো সম্বোধন কৰিব আৰু ভাৰতীয় প্ৰৱাসীসকলৰ সৈতেও আলোচনাত লিপ্ত হ'ব।

3. ইএএম গৰাকীয়ে 13-15 এপ্ৰিল 2023 তাৰিখে মোজাম্বিক ভ্ৰমণত ব্ৰতী হ'ব। এয়া এগৰাকী ভাৰতীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ সৰ্বকালৰ প্ৰথমটো মোজাম্বিক ভ্ৰমণ হ'ব। ভ্ৰমণৰ কালচোৱাত ইএএম গৰাকীয়ে শীৰ্ষ নেতৃত্বক সাক্ষাৎ কৰিব আৰু মোজাম্বিকৰ বৈদেশিক মন্ত্ৰী শ্ৰীমতী ভেৰ'নিকা মাকামোৰ সৈতে যৌথ আয়োগৰ বৈঠকৰ 5ম খণ্ডত সহ-অধ্যক্ষতা কৰিব। তেওঁ আন বহুতো মন্ত্ৰী আৰু মোজাম্বিক সদনৰ প্ৰতিনিধিসকলকো সাক্ষাৎ কৰিব বুলি আশা কৰা হৈছে। ইএএম গৰাকীয়ে মোজাম্বিকত ভাৰতীয় প্ৰৱাসীসকলৰ সৈতেও মত বিনিময় কৰিব।

4. ইএএম গৰাকীৰ উগাণ্ডা আৰু মোজাম্বিক ভ্ৰমণে এই দুয়োখন দেশৰ সৈতে ভাৰতৰ শক্তিশালী দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে।

**নতুন দিল্লী**

**এপ্ৰিল 09, 2023**